بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ نَحۡمَدُهٗ وَنُصَلِّىۡ عَلٰى رَسُوۡلِهِ الۡكَرِيۡمِ وَعَلٰى عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২৪ নৱেম্বৰত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে যোৱা খোতবা সমুহত হজৰত মছিহ মাওউদ (আঃ) ৰ বিবৃতি সম্পৰ্কে উল্লেখ কৰিছিলো যে তেখেত (আঃ) য়ে কৈছে, যদি মানুহে সকলো গোনাহ এৰি জেদ পৰিহাৰ কৰি পৱিত্ৰতাৰে আৰু পৰম ব্যাগ্ৰতাৰে আল্লাহ তায়লা সমীপত নমাজৰ মাজত দোৱা কৰে তেন্তে চল্লিছ দিন পাৰ নহোতেই আল্লাহ তায়লা তাৰ ওপৰত সত্য প্ৰকাশিত কৰিব। আনহাতে যদি কোনোবাই হৃদয়ত হিংসা, বিদ্ধেৰ ক্ৰোধ নাইবা পাক পৱিত্ৰ চিন্তা বোধ আদি নাৰাখে তেওঁলোকে সদায় কব যে আল্লাহ তায়লা আমাক সপোনত কোনো ধৰণৰ পথ নিৰ্দেশনা দিয়া নাই। যিয়েই নহওঁক যি সকলে পৱিত্ৰ হৃদয়েৰে এনেকুৱা কৰিব তেওঁলোকে আল্লাহ তায়লাৰ ফালৰ পৰা কৃপালু পথ নিৰ্দেশনা লাভ কৰিব। অসংখ্য লোকক আল্লাহ তায়লা হজৰত মছিহ মাওউদ (আঃ) ৰ জীৱদশাতেই সপোনৰ মাধ্যমত সজ বাটৰ সন্ধান দিছে। এনেদৰে এবাৰ এখন বৈঠকত লাহোৰৰ এজন ব্যক্তিয়ে পঠোৱা পত্ৰ সম্পৰ্কে উল্লেখ কৰে যে মানুহ জনে পত্ৰত লিখিছে যে তেওঁক সপোনত হজৰত মছিহ মাওউদ (আঃ) ৰ বিষয়ে জনোৱা হৈছে যে তেখেত (আঃ) সত্য। সেই মানুহ জনৰ এজন ফকিৰ (পীৰ) ৰ সৈতে দ্বীনদাৰীৰ সম্পৰ্ক আছিল। উক্ত ফকিৰ জনক মানুহজনে সকলো নিৰৰি কৈছিল তেতিয়া পীৰ চাহাবে কৈছিল যে মিৰ্জা চাহাবৰ ইমান দিনে উন্নতি হোৱাটো তেখেতৰ সত্যতাৰ প্ৰমাণ। তাতেই আৰু এজন ফকিৰ বহি আছিল তেওঁ কৈছিল বাবা মোকও সুধি লবলৈ দিয়া। পিছদিনা তেওঁ কয় যে, খোদা তায়লা  মোক কৈছে যে মিৰ্জা চাহাব হ’ল মওলা, তেতিয়া প্ৰথম জন ফকিৰে কয় যে মওলা  নহয় সম্ভৱত মওলানা বুলি কৈছে যে তেখেত তোমাৰ আৰু মোৰ আৰু সকলোৰে মওলা। হজৰত মছিহ মাওউদ (আঃ) য়ে এয়া শুনি কৈছিল যে আজি কালি সপোন আৰু ৰুইয়া বহুত হৈ আছে, গতিকে অনুমান হয় যে আল্লাহ তায়লা বোধহয় মানুহক সপোনৰ জৰিয়তে জাননী দি আছে। খোদা তায়লাৰ ফিৰিস্তা চাৰিও ফালে বিচৰণ কৰি আছে। সিহঁতে মানৰ হৃদয়ত জাগৰণ তুলি আছে যে মানি লোৱা, মানি লোৱা। আকৌ আন এজন ব্যাক্তিয়ে তেখেত (আঃ) ৰ বিৰুদ্ধ এখন কিতাপ লিখিবলৈ মনস্তাপ কৰে তেতিয়া সপোনত আঁহজৰত (ছাঃ) য়ে তেওঁক জনায় যে তই বাতিল বুলি লিখিব বিচাৰিছা, দৰাচলতে মিৰ্জা চাহাব সত্য। আল্লাহ তায়লা পৱিত্ৰ চৰিত্ৰৰ  লোকক ভুল (বেয়া) কামৰ পৰা ৰক্ষা কৰিবলৈও নিৰ্দেশনা দিয়ে। এই ছিলছীলা, যি হজৰত মছিহ মাওউদ (আঃ) ৰ যুগৰ পৰা আৰম্ভ হৈছে সেয়া আজিও প্ৰতিৰ্ষ্ঠিত বা চলি আছে। পৱিত্ৰ চৰিত্ৰৰ লোক সকলক আল্লাহ তায়লা সজ বাটৰ সন্ধান দি আছে।

মালি পশ্চিম আফ্ৰিকাৰ এজন মোবাল্লিগ চাহাবে লিখিছে যে, মোস্তাফা দিয়ালু চাহাবে এদিন সপোনত দেখিবলৈ পায় যে, তেওঁবেহেস্তৰ এখন সুন্দৰ ঘৰত বৈ আছে। ঘৰ খনৰ একাষেৰে পানী বৈ গৈ আছে যাৰ মাজত এজন বগা (সুঠাম) বৰণৰ বুজুৰ্গৰ ছবি ভাহি আছে। যি জনৰ পিন্ধনত আছিল পাগুৰি। এই সপোন দেখাৰ কিছুমান দিন পিছত তেওঁ তাৰ এজন বন্ধুৰ ঘৰলৈ যায়, সেই ঘৰত উক্ত বুজুৰ্গ জনৰ ছবি দেখিবলৈ পায়। মানুহজনে তাৰ বন্ধুক সেই ছবিত থকা বুজুৰ্গ জনৰ বিষয়ে সুধে, উত্তৰত বন্ধুজনে কয় যে এই জনেই হ’ল ইমাম মাহদী। তেতিয়া দিয়ালু চাহাবে তাৰ সপোনৰ বিবৃতি শুনায় আৰু আহমদীয়ত সম্পৰ্কে বেছিকৈ জানিব বিচাৰে। এনেদৰে তেওঁ বৈঠকত অংশ গ্ৰহন কৰে আৰু বৈঠক শেষ হোৱাৰ পিছত নিজে আহমদী হোৱাৰ ঘোষণা কৰে।

আকৌ ইয়ামিনৰ এজনী মহিলা জমিলা চাহিবা বৰ্ণনা কৰিছে যে, জমাত আহমদীয়াৰ সৈতে পৰিচয় ঘটাৰ বহু আগত মই চোদি আৰৱত আছিলো, তাত মই চুফি আজমৰ ফালে মনযোগ ৰাখিছিলো আৰু হজৰত আব্দুল কাদেৰ

জিলানী চাহাবৰ লিখনী বাৰুকৈয়ে পছন্দ হৈছিল। তেখেতৰ নিৰ্দেশিত পদ্ধতি আনুসৰি আমল কৰি মোৰ ভালেখিনি শান্তি উপলব্দি হৈছিল আৰু আধ্যাত্মিকতা উপলব্দি হৈছিল। সেই দিন বোৰতেই এদিন ৰাতি মই সপোনত দেখিলো যে এটা চন্দ্ৰ সম তৰা ভুমিত উদিত হৈছে আৰু চলা-ফুৰা কৰি আছে। আকৌ ছাদে দি আহি আমাৰ ঘৰত সোমাইছে। মই আচৰিত হৈ পৰিছিলো এনেতে সাৰ পাই গলো। কেইদিন মান পিছত আকৌ এটা সপোন দেখিলো। দেখিলো যে আৰু পাঁচোটা তৰা ৰেলৰ দৰে জমিনত চলি আছে কিন্তু দেখাত প্ৰথমটো তৰাতকৈ আকাৰত এই বোৰ সৰু আছিল। যেতিয়া মই এম.টি.এ ৰ জৰিয়তে জমাতৰ বিষয়ে ভালদৰে জানিলো তেতিয়া আৰু বিতং জনাৰ ইচ্ছা উপজিল। এম.টি.এ ৰ দেখাকালীন অৱস্থাত হজৰত মছিহ মাওউদ (আঃ) ৰ প্ৰতি মোৰ প্ৰেম ভাৱৰ উদ্ৰেক হ'ব ধৰিলে আৰু মোৰ বিশ্বাস হৈ গ'ল যে তেখেতেই ইমাম মাহদী। এই সময়ছোৱাতেই আল হাউৱাৰুল মোবশ্বিৰৰ প্ৰোগ্ৰামত শুনিলো যে হজৰত ইমাম মাহদী (আঃ) ৰ সত্যতা জানিবলৈ ইস্তেখাৰাৰ জৰিয়তে খোদা তায়লাৰ কৃপা বিচৰা উচিত। গতিকে মই সুচীত নিৰ্দেশ অনুসৰি দুই ৰাকাত নমাজ আদায় কৰি বিচনাত গলো। সেই ৰাতিয়ে সপোনত দেখিলো যে, মই মক্কা মকৰৰমাত বহু লোকৰ ভীৰৰ মাজত আছো। মানুহে ভৰিৰ পতাত ভৰ দি ডিঙি দীঘল কৰি এজন মানুহক দেখিবলৈ চেষ্টা কৰি আছে। এনেতে উচ্চস্বৰে এজন লোকে কৈ আছে যে হে লোক সকল, তোমালোকৰ ইমাম আহি পাইছে। হে, লোক সকল ইমাম মাহদী আহি গৈছে। মইও সিহঁতৰ লগত দেখিবলৈ ধৰিলো যে ইমাম মাহদী (আঃ) এটা উচ্চ স্থানত সকলোৰে সন্মুখত প্ৰকাশীত হৈছে। তেখেতৰ চেহেৰা পূৰ্ণ চন্দৰৰ দৰে চমকাই আছিল। মই যেতিয়া দেখিলো মোৰ হৃদয়ত ভাহি উঠিল যে এইজনেই মই এম.টি.এ ত দেখা মানুহ জন অৰ্থাৎ ইমাম মাহদী আৰু মছিহ মাওউদৰ চেহেৰা। এয়া দেখি মোৰ চকুলো নিগৰি আহিল মই কান্দিবলৈ ধৰিলো। তাই কয় যে এই সপোন দেখাৰ পিছত তাইৰ বিশ্বাস স্থাপন হ'ল যে সত্য ইয়াতেই, এইজন ব্যক্তিয়েই যুগৰ ইমাম। গতিকে মই বয়াত কৰাৰ সিদ্ধান্ত ললো। যিয়েই নহওঁক বৰ্তমান ইয়ামেনৰ অৱস্থা বৰ বেয়া। প্ৰতিবেশী ৰাষ্ট্ৰ সমুহে সকলো ফালেৰে ইয়ামেনৰ ওপৰত প্ৰতিবন্ধকতা লগাই দিছে। সকলো ধৰণৰ সহায় সহযোগীতা নন্ধ কৰি দিছে। দুৰভীক্ষ সম অৱস্থাত ল'ৰা, বুঢ়া সকলোৱে চিকিৎসাৰ অভাৱত মৃত্যুক সাৱটি লৈছে। মুছলমানে মুছলমানক হত্যা কৰি আছে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল এওঁলোকে ইমাম মাহদীক মানি লোৱা নাই। দোৱা কৰিব আল্লাহ তায়লা যেন এওলোকৰ অৱস্থাৰ সলনি কৰি সকলো সহজ কৰি জীয়াই থকাৰ উপায় দান কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, কিছুমান পৱিত্ৰ চৰিত্ৰৰ লোকে আহমদীয়াতৰ সত্যতা জানিও বিভিন্ন কাৰণত বয়াত নকৰে। এই বিষয়ে মনযোগ আকৰ্ষণ কৰি মালিৰ পৰা কাইৰিজনৰ মোয়াল্লিম চাহাবে লিখিছে যে, এজন বন্ধু আব্দুল হাই জাবি চাহাবৰ এজন আত্মীয় যাৰ ৰমজান মাহত হঠাত মৃত্যু হৈছে। তেওঁ এদিন সপোনত দৰ্শন কৰে যে তেওঁ সেই মৃত বন্ধু জনৰ সৈতে বাছত কৰবালৈ গৈ আছে তেতিয়া সেই বন্ধুজনে কয় যে তুমি যি জমাতত অন্তৰ্ভূক্ত হৈ আছা, সেয়া সত্য জমাত। মইও এই জমাতত অন্তৰ্ভূক্ত হৈ আছো। তাৰ পিছত জাবি চাহাবে কাই চহৰৰ পৰা বহু দুৰত থকা হেতুকে ফোনৰ জৰিয়তে বয়াত গ্ৰহনৰ আবেদন জনায় আৰু বয়াত কৰে।

আকৌ মিছৰৰ এজন বন্ধু মেহমুদ গৰিব চাহাবে কয় যে, মই নবছৰ বয়সৰ পৰা পোনত এটা ধবনী শুণা পাইছিলো যাৰ প্ৰতিধবনি সদায় কাণত বাজিছিল। কিন্তু মই সেয়া বুজি পোৱা নাছিলো যদিও বৰ ভয় পাইছিলো। ২০১০ চনত যেতিয়া এম.টি.এ ৰ সৈতে মোৰ পৰিচয় ঘটে তেতিয়া শ্বৰীফ আউদে চাহাব আৰু আছিদ মুছা আউদে চাহাবৰ কথাত হজৰত মছিহ মাওউদ (আঃ) ৰ কিছুমান বিবৃতি শুণাৰ পিছত বুজি পাইছিলো যে এয়াই হ'ল সেই শব্দ যি মই নবছৰ বয়সত সপোনত শুনা পাইছিলো। গতিকে মই ইয়াৰ পিছত মনযোগেৰে হজৰত মছিহ মাওউদ (আঃ) ৰবাণী শুনি থাকিছিলো, যাৰ প্ৰভাৱে মোৰ হৃদয়ত গভীৰ আঁচ বহুৱাইছিল। মই হজৰত মছিহ মাওউদ (আঃ) ৰ চেহেৰা মনত কল্পনা কৰিলো তেখেত (আঃ) ৰ চেহেৰা মোবাৰক মোৰ সন্মুখত ভাহি উঠিছিল। এদিন মই এম.টি.এ চাই আছিলো, তেতিয়া এম.টি.এ ত হজৰত মছিহ মাওউদ (আঃ) ৰ ফটো প্ৰদৰ্শিত হৈ আছিল। মই সেয়া আগত লৈ কৈছিলো যে খোদা তায়লাৰ শপত কাঢ়ি কৈছো, তুমি মোক নিজে জনোৱা তুমি সঁচাকৈয়ে তোমাৰ দাবীত সত্য হয়নে নহয় ? তাৰ পিছত আকৌ যেতিয়া কামৰ পৰা ঘুৰি আহি এম.টি.এ চাবলৈ ধৰিলো দেখিলো তাত হজৰত মছিহ মাওউদ (আঃ) ৰ এই

বিবৃত্তি পাঠ কৰা হৈ আছে إِنِّي مِنَ اللهِ إِنِّي مِنَ الله وَأَشْهَدُ رَبِّي إِنِّي مِنَ اللهِ يَاقَوْمِ إِنِّي مِنَ اللهِ অৰ্থাৎ হে, মোৰ কউম (জাতি, সম্প্ৰদায়) মই খোদা তায়লাৰ ফালৰ পৰা হওঁ, মই খোদা তায়লাৰ ফালৰ পৰা হওঁ। মই খোদা তায়লাৰ ফালৰ পৰা হওঁ। মই মোৰ খোদা তায়লাক সাক্ষী ৰাখি কৈছো যে মই খোদা তায়লাৰ ফালৰ পৰা হওঁ। এই কথা শুণাৰ লগে-লগে মই ব্যাকুল বিনয়ত তন্ময় হৈ আঠু কাৰি টি.ভি ত প্ৰদৰ্শিত ফটোত চুমা খাইছিলো আৰু কৈছিলো আলায়কাচ্ছালাম, আলায়কাচ্ছালাম। তুৰন্তেই আহমদীয়ত মোৰ সৰ্বস্ব হৈ পৰিল আৰু মই বয়াত কৰিলো।

আৰদানৰ এজন বন্ধু জমিল জোৱাণ চাহাবে কয় যে, এদিন ৰাতি মই সপোনত দেখো যে বাটত থিয়-থিয় কৈ গজাল পুতি থোৱা আছে এনেতে মাৰ্ছিডিচ গাড়ী এখন আহে। উক্ত গাড়ীৰ চালকৰ কাষৰ আসনত বহা ব্যক্তি জনে মোক গাড়ী চলাবলৈ নিৰ্দেশ দিয়ে। মই চালকৰ আসনত বহিলো মোৰ হৃদয়ত এনে ভাৱ হ'ল যে মই হজৰত ইমাম মাহদী (আঃ) ৰ লগত বহি আছো। মোৰ ভয় লাগিব ধৰিলে। গাড়ী চলিব ধৰিলে। হঠাৎ বাটত বহুত কলা বৰণৰ মানুহ দুয়ো কাষে শাৰী পাতি থিয় হৈ গল, তেওঁলোকৰ হাতত অস্ত্ৰ আছিল। তেওঁলোকে আমাক লক্ষ্য কৰি গুলিয়াবলৈ ধৰিলে কিন্তু আমাৰ কোনো গুলি নালাগিল। আমি গৈ গন্তাস্থান পালো। সপোনতেই মই গাড়ীখন ৰখালো তেতিয়া হজৰত মছিহ মাওউদ (আঃ) য়ে মোক কলে তুমি গাড়ীৰ পৰা নামি গৈ ডিগি খন খোলা। মই ডিগিখন খুলোতেই দেখিবলৈ পালো যে ডিগিত এটা কাঠৰ বাকচ্। সেই বাকচটোৰ ভিতৰত এজন পাঁচ বছৰীয়া শিশু। সেই ধুনীয়া শিশু জনে মোৰ ফালে চালে আৰু মই সাৰ পালো। মই সেই সপোনৰ অৰ্থ ভাবিলো যে সপোনত দেখা নতুন গাড়ী মানে হ'ব জীৱণৰ এটা নতুন যাত্ৰা। কলা বৰণীয়া মানুহ যি সকলে আমাৰ ওপৰত গুলী চালনা কৰিছিল, ইয়াৰ অৰ্থ জীৱণৰ এই নতুন যাত্ৰাত শত্ৰুৰ সন্মুখীন হ'ব লাগিব কিন্তু একো হানি কৰিব নোৱাৰে আৰু বাকচৰ অৰ্থ হ'ল নিৰাপত্তা আৰু পাঁচ বছৰীয়া শিশু মানে হ'ল কিছুমান সুসংবাদ যি পাঁচ বছৰৰ ভিতৰত পূৰ্ণ হ'ব। লগতে এয়া কয় যে, আচৰিত কথা হ'ল জমাত আহমদীয়াৰ সৈতে পৰিচয় হোৱাৰ পিছৰে পৰা মোৰ জীৱণে নতুন মূৰ লৈছে আৰু মই জমাতৰ অন্তৰ্ভূক্ত হৈছো। মই মোৰ গাৱত অকলশৰীয়া আহমদী, ইমাম মাহদীৰ আগমনৰ ঘোষণা কৰাৰ লগে-লগে ওচৰ চুবুৰীয়াৰ মানুহ মোৰ শত্ৰু হৈ পৰিছে।

আকৌ ছিৰিয়াৰ মহম্মদ আব্দুল্লাহ চাহাব যিজনে বৰ্তমান কানাডাত আছে, কয় যে মই এজন বিক্ৰিদাৰ হিচাপে চাকৰি কৰো, মোৰ গ্ৰাহকৰ ফালৰ পৰা এজন মানুহৰ ল'ৰাৰ সৈতে মোৰ চিনাকি হ'ল তেওঁ মোক জমাত আহমদীয়াৰ বিষয়ে কলে। তেওঁ মোৰ ইছলামী অচুল কি ফিলচফি (আৰবী তৰজমা) কিতাপখন দিলে। মই কিতাপখন পঢ়ি বাৰুকৈয়ে প্ৰভাৱিত হলো। তাৰ পিছত মই এবছৰমান জমাতৰ বিভিন্ন কিতাপ পঢ়িলো আৰু এম.টি.এ, আল-আৰবীয়া দেখি থাকিলো। লাহে-লাহে মোৰ জমাতৰ অন্তৰ্ভূক্ত হ'বলৈ মন গ'ল। মই ইস্তেখাৰা কৰাৰ পিছত সপোনত দেখিলো যে মোৰ এজন আত্মীয়ই মোক এটা কাগজৰ পৃষ্ঠা দি আছে আৰু কৈ আছে যে, এয়া মহম্মদ ৰছুলুল্লাহ (ছাঃ) ৰ ফালৰ পৰা দিয়া হৈছে। মই অতি আনন্দৰ সৈতে সেয়া খুলি দেখিলো যে তাত আচ্ছালামু আলায়কুম লিখা আছে। মই সাৰ পাই বহুত আনন্দ মনেৰে এই আয়াত পাঠ কৰিলো أُدْخُلُوهَا بِسَلَٰمٍ ءَامِنِينَ মোৰ বিশ্বাস হ'ল যে এয়া মোৰ ইস্তেখাৰা কৰাৰ উত্তৰ যে **তাত নিৰাপদে নিৰ্ভয়ে প্ৰবেশ কৰা** ইয়াৰ পিছত মই বয়াত কৰিলো।

ছিৰিয়াৰ এজনী মহিলায় কয় যে, মই আৰু মোৰ ভনীয়ে এটা জমাতৰ অন্তৰ্ভূক্ত হৈছিলো কিন্তু পিছত জানিলো যে এই জমাতে নিজাৰবীয়াকৈ চৰিয়ত বনাই লৈছে। মই খোদা তায়লাৰ ওচৰত প্ৰাৰ্থনা জনালো যে হে খোদা তুমি মোক প্ৰকৃত দ্বীনদাৰ জমাতৰ সন্ধান দিয়া। হৃদয়ত বৰ কৰুণতা, এনে অৱস্থাত মই এজন মানুহক দেখিলো যেন মোৰ লগতে থিয় দি আছে আৰু মোৰ অনুমান হ'ল যে মানুহজনে মোক সহায় কৰিবলৈ আহিছে। মনে-মনে ভাৱিলো মানুহজন কোন ? পিছ দিনা মই বহুত কান্দিলো আৰু সেই ব্যাক্তি জনক আকৌ মোৰ লগত দেখিলো। তৃতীয় দিনাও তেনেকুৱাই দেখিলো তেতিয়া মই উচ্চস্বৰে খোদা তায়লাৰ ওচৰত আকুতি মিনতি কৰিলো যে খোদা মোক জনোৱা এইজন মানুহ কোন আৰু কিয় মোক বাৰে-বাৰে দেখা দি আছে। ইয়াৰে কিছুদিন পিছত মই এটা আচৰিত সপোন দেখিলো, দেখিলো যে মোৰ চেহেৰা সলনি হৈ গৈছে। মই এটা ডাঙৰ পথাৰৰ মাজত আছো। এনেতে গাড়ীত কেইজন মান লোকক আহি

থকা দেখিলো যাৰ পিঠিৰ ওপৰত ছ্যাটেলাইট লগোৱা আছিল। গাড়ীখন আহি পথাৰৰ মাজ মজিয়াত ৰ'ল। কেইজন মানে গাড়ীখনৰ পৰা বস্তু বাহিনি নমাই মাটিত ৰাখিলে। মানুকেইজনৰ মাজত এজন আৰবী পোছাক পৰিধান কৰা আছিল যাৰ বৰণ আছিল উজ্বল। এই ব্যক্তিজনে মোৰ সন্মুখত আহি থিয় হ'ল আৰু সুধিলে ভাই আপুনি ইয়াত কি কৰি আছে ? মই তাৰ উত্তৰ দিয়াৰ সলনি সুধিলো আপোনালোকে ইয়াত কি কৰি আছে ? তেওঁ উত্তৰত কলে যে আমি নতুন টি.ভি চ্যানেল খুলি আছো। আপুনি দেখিব নেকি ? মই কলো কিয় নেদেখিম, নিশ্চয় দেখিম। এনেতে সাৰ পাই গলো। পিছ দিনা মই টি.ভি লৈ আহিলো আৰু এম.টি.এ চ্যানেল অপেন কৰি প্ৰোগ্ৰাম আল-হাউৱাৰ দেখিবলৈ ধৰিলো। টি.ভিত মই সেই মানুহজনক দেখিবলৈ পালো, যি জনে ময়দানত ছ্যাটেলাইট চ্যানেল খুলিবলৈ অহা দেখিছিলো। এনেতে টি.ভি ৰ পৰ্দাত এটা ছবি ভাহি আহিল তাত হজৰত মছিহ মাওউদ (আঃ) ৰ বাণী লিখা আছিল। লগে-লগে মছীহ মাওউদ (আঃ) ৰ উক্তি কবি শুনাবলৈ ধৰিলে যাৰ প্ৰথম বাক্য আছিল

وَوَاللّٰهِ اِنِّیْ مِنَ اللّٰهِ اٰتَیْتُ وَمَفْتَرَیْتُ وَقَدْخَابَ مَنِ افْتَرٰی অৰ্থাৎ খোদা তায়লাৰ শপত খাই কৈছো, মই খোদা তায়লাৰ ফালৰ পৰা আহিছো। মই কোনো প্ৰৱঞ্চনা কৰা নাই। নিশ্চয় প্ৰৱঞ্চনা কৰোঁতাজন খতিগ্ৰস্থ। এই শব্দবোৰ শুনাৰ লগে-লগে মই অজানিতেই কৈছিলো যে এয়া কোনো সত্যবাদীৰ কথা হ'ব নিশ্চয় এইজন ব্যক্তি নিজৰ দাবীত সত্য আৰু এইজনেই মছিহ মাওউদ আৰু ইমাম মাহদী। উক্ত প্ৰোগ্ৰামত দ্বিতীয়বাৰ হজৰত মছিহ মাওউদ (আঃ) ৰ ছবি চাই বুজিলো যে এই জনেই সেইজন ব্যক্তি যাক মই আগতে কাশ্বফি অৱস্থাত দেখিছিলো। খোদা তায়লা মোক তেতিয়া কৈছিল এইজন ব্যাক্তিৰ জমাতৰ সৈতে তাৰ সহায় সংলগ্ন হৈ আছে। খোদা তায়লাৰ সত্য দ্বীনৰ প্ৰতিনিধিত্ব কৰা জমাত এয়াই যিয়েই নহওক মই তেতিয়া জনা নাছিলো যে হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াত কৰাৰ প্ৰয়োজন আছে। কিন্তু বহু দিন এই এম.টি.এ দেখাৰ পিছত মই আৰু মোৰ ভনী আৰু মাহীয়ে তেখেত (আঃ) ৰ বয়াত কৰাৰ সিদ্ধান্ত ললো। পিছত মোৰ মা, ভাই আৰু দুজনী ভনীয়ে একে লগে বয়াত কৰি জমাতৰ অন্তৰ্ভূক্ত হলো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে অৱশেষত উল্লেখ কৰে যে এয়া যে ঘটনা মই বৰ্ণনা কৰিলো এনে ঘটনা আৰু বহুত আছে। আল্লাহ তায়লা নতুনকৈ অহা সকলৰ ঈমান আৰু বিশ্বাসত উন্নতি দান কৰক। একাগ্ৰতা আৰু আনুগত্য বৰ্দ্ধিত কৰক। পুৰণি আহমদী সকলৰ পৱিত্ৰতা আৰু ঈমান দৃঢ় ৰাখক। (আমিন)

**********

Assamese Khulasa Khutba Jumma Huzoor Anwar 24 November 2017

**BOOK POST (PRINTED MATTER)**

To

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737